# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। চৰকাৰে কেবিনেট কমিটীসমূহ গঠন কৰিছে।

২। চৰকাৰে কৈছে যে, স্মাৰ্ট চিটী মিছনৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ ১০০ খন চহৰৰ ১ লাখ ৪৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ ৯০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে।

৩। অসমৰ বান পৰিস্থিতি জটিল হৈ আছে। ৰাজ্যৰ মুঠ ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে।

৪। বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানিক কালি নতুন দিল্লীৰ এপলো চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ বিজয়ী ভাৰতীয় দলটো দিল্লীত উপস্থিত হৈছে।

ooooo

চৰকাৰে কেবিনেট কমিটীসমূহ গঠন কৰিছে। সেই অনুসাৰে অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীত ১১ গৰাকী সদস্য থাকিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াৰ অধ্যক্ষতা কৰিব। কমিটীত বাকী সকস্যসকলক ভিতৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন, কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহান, তীখামন্ত্ৰী এইচ ডি কুমাৰস্বামী আৰু পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন অন্যতম। একেদৰে শ্ৰীমোদী সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰো অধ্যক্ষ হ'ব। ৰাজনাথ সিং, অমিত শ্বাহ, নিৰ্মলা সীতাৰমণ আৰু বিদেশ মন্ত্ৰী ডঃ জয়শংকৰ এই কমিটীৰ সদস্য হ'ব। আনহাতে, ৰাজনাথ সিঙে ১০ জনীয়া সংসদীয় পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীৰ অধ্যক্ষৰ দায়িত্ব বহন কৰিব। সেইদৰে, ৰাজনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীত প্ৰধানমন্ত্ৰীসহ মুঠ ১৪ গৰাকী সদস্য থাকিব। কেবিনেটৰ নিযুক্তি কমিটীত শ্ৰীমোদী আৰু শ্ৰীশ্বাহ থাকিব। কেবিনেটৰ বাকী কমিটীসমূহো গঠন কৰা হৈছে।

ooooo

চৰকাৰে কৈছে যে, স্মাৰ্ট চিটী মিছনৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ ১০০ খন চহৰৰ ১ লাখ ৪৪ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পৰ ৯০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে। স্মাৰ্ট সমাধানৰ জৰিয়তে আন্তঃগাঁথনি আৰু নিকা তথা বহনক্ষম বাতাবৰণৰ মাধ্যমেৰে নাগৰিকসকলক গুণগত জীৱন প্ৰদানৰ উদ্দেশ্যে ২০১৫ চনত এই অভিযান আৰম্ভ কৰা হৈছিল। গৃহ নিৰ্মাণ নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, একাংশ ৰাজ্য আৰু চহৰৰ প্ৰতিনিধিসকলে বাকী ১০ শতাংশ কাম সম্পূৰ্ণ কৰাৰ বাবে আৰু কিছু সময় বিচাৰিছে। মন্ত্ৰালয়ে

এনে অনুৰোধৰ কথা বিবেচনা কৰি প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ কৰাৰ বাবে মিছনৰ সময়সীমা ২০২৫ বৰ্ষৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ১৯ হাজাৰ ৯২৬ কোটি টকা ব্যয় সাপেক্ষ বাকী ৮৩০টা প্ৰকল্পৰ কামো সম্পূৰ্ণ হোৱাৰ পথত বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় সেনা বাহিনীয়ে কৰ্তব্যৰত অৱস্থাত প্ৰাণ আহুতি দিয়া অগ্নিবীৰ অজয় কুমাৰক চৰকাৰে প্ৰদান কৰা ধনৰাশি সন্দৰ্ভত স্পষ্টীকৰণ দিছে। সেনা বাহিনীয়ে কয় যে, অগ্নিবীৰ অজয়ৰ পৰিয়ালক ধনৰাশিৰ ৯৮ লাখ ৩৯ হাজাৰ টকা ইতিমধ্যে প্ৰদান কৰা হৈছে। সেনা বাহিনীয়ে লগতে কয় যে, অগ্নিবীৰ আঁচনি অনুসৰি প্ৰায় ৬৭ লাখ টকাৰ এককালীন সাহায্য আৰু অন্যান্য লাভৰ ধন আৰক্ষী সত্যাসত্যনিৰূপণৰ পাছত প্ৰদান কৰা হ'ব। শ্বহীদ জোৱানগৰাকীৰ পৰিয়ালে মুঠ ১ কোটি ৬৫ লাখ টকা লাভ কৰিব। সামাজিক মাধ্যমত প্ৰচাৰিত কিছু পোষ্টত বীৰ শ্বহীদ জোৱান অজয় কুমাৰৰ পৰিয়ালক ক্ষতিপূৰণ দিয়া হোৱা নাই বুলি ওলোৱা বাতৰিক খণ্ডন কৰি ভাৰতীয় সেনা বাহিনীয়ে এইদৰে স্পষ্টীকৰণ দিছে।

ooooo

দেশত জুনত কয়লাৰ উৎপাদন ১৪ দশমিক ৫ শতাংশ বৃদ্ধি পাই ৮ কোটি ৬৬ লাখ ৩০ হাজাৰ টন হৈছে। যোৱা বছৰ এই একে সময়ছোৱাত এই পৰিমাণ ৭ কোটি ৩৯ লাখ ২০ হাজাৰ টন আছিল। কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি ক'ল ইণ্ডিয়া লিমিটেডে ৮ দশমিক ৮-৭ শতাংশৰ বৃদ্ধিৰে ৬ কোটি ৩১ লাখ টন কয়লা উৎপাদন কৰিছে। ইয়াৰ উপৰি জুনত অন্য কোম্পানীসমূহৰ কয়লা উৎপাদন ১ কোটি ৬০ লাখ ৩০ হাজাৰ টন কয়লা উৎপাদন কৰে। এই পৰিমাণ যোৱা বছৰৰ তুলনাত ৫৫ দশমিক ৪-৯ শতাংশ অধিক।

ooooo

ভাৰতীয় খাদ্য নিগমে ২০২৪-২৫ ৰবি বিপণন বৰ্ষত ২৬৬ লাখ মেট্ৰিক টন ঘেঁহু ক্ৰয় কৰিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, যোৱা বছৰ এই সময়ছোৱাত ২৬২ লাখ মেট্ৰিক টন ঘেঁহু ক্ৰয় কৰা হৈছিল। ক্ৰয় প্ৰক্ৰিয়াৰ পৰা ২২ লাখৰো অধিক খেতিয়ক উপকৃত হৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে কৈছে যে, ন্যূনতম সমৰ্থন মূল্যত ঘেঁহু ক্ৰয় কৰাৰ ঠিক পাছতে এই খেতিয়কসকলৰ বেংক একাউণ্টত পোনপটীয়াকৈ প্ৰায় ৬১ লাখ কোটি টকা জমা কৰা হৈছে। চৰকাৰে ২০২৪-২৫ ৰবি বিপণন বৰ্ষৰ বাবে ঘেঁহুৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত দুহেজাৰ ৭৭৫ টকা ধাৰ্য কৰিছে।

ooooo

ঝাৰখণ্ড মুক্তি মৰ্চা জে এম এমৰ কাৰ্যবাহী সভাপতি হেমন্ত চোৰনে অহা দেওবাৰে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চম্পাই চোৰনে কালি হেমন্ত চোৰেন পুনৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰ প্ৰশস্ত কৰি ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। ইয়াৰ পাছতে হেমন্ত চোৰনে নতুন চৰকাৰ গঠন কৰাৰ বাবে দাবী উত্থাপন কৰে। হেমন্ত চোৰনে ভূমি কেলেংকাৰী সম্পৰ্কীয় কলা ধন বৈধকৰণৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ৩১ জানুৱাৰীত গ্ৰেপ্তাৰ কৰাৰ কেইঘণ্টা মান পাছতেই পদত্যাগ কৰিছিল।

জে এম এম, কংগ্ৰেছ আৰু আৰ জে ডিক লৈ গঠিত আই এন ডি আই মিত্ৰজোঁটৰ বিধায়কসকলৰ বৈঠকত কালি হেমন্ত চোৰেনক পুনৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়।

00000

অসমৰ বান পৰিস্থিতি জটিল হৈ আছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। ৰাজ্যখনত যোৱা ২৪ ঘণ্টাত বানৰ ফলত আৰু ৮ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ চলিত বৰ্ষত বান জনিত ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৬লৈ বৃদ্ধি পাইছে। ৩ জন লোক সন্ধানহীন হৈ আছে। বানৰ ফলত ১০৫টা ৰাজহ চক্ৰৰ মুঠ দুহেজাৰ ৮০০ খন গাঁও প্ৰভাৱিত হৈছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৩৯ হাজাৰ ৪০০ হেক্টৰৰো অধিক কৃষিভূমি ক্ষতিসাধন হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে জিলা আয়ুক্তসকলৰ সৈতে বান পৰিস্থিতিৰ পৰ্যালোচনা চলায় আৰু উদ্ধাৰ তথা সাহায্য অভিযান ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে লগতে জিলা আয়ুক্তসকলক বান প্ৰভাৱিত লোকৰ জৰীপ চলাবলৈ নিৰ্দেশ দিয়ে কিয়নো চৰকাৰে ১৫ আগষ্টৰ পূৰ্বে ক্ষতিপূৰণৰ ধনৰাশি মোকলাই দিয়াৰ সিদ্ধান্ত লৈছে। বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি কামৰূপ জিলাৰ ভালেমান বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। উদ্যানখনৰ ১৭৮টা বন পহৰা চকী জলমগ্ন হৈছে। উদ্যানখনৰ বন্য জীৱ-জন্তু বোৰে ওচৰৰ ওখ পাহাৰীয়া ঠাইত আশ্ৰয় লোৱা পৰিলক্ষিত হৈছে। উদ্যান কৰ্তৃপক্ষই সুৰক্ষাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে যাতায়াতৰ পথ সলনি কৰাৰ নিৰ্দেশ দিছে। উদ্যানখনৰ মাজেৰে গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপ নৈসমূহৰ জলস্তৰ বিপদ সীমাৰ ওপৰেৰে আৰু বুঢ়ীদিহিং নৈৰ জলপৃষ্ঠ সৰ্বোচ্চ বিপদ সীমাৰ ওপৰেৰে বৈ আছে। বানৰ ফলত যোৱা ২৪ ঘণ্টাত ১০০টা পথ, ১১ টা মথাউৰি আৰু ১৪ খন দলঙৰ ক্ষতিসাধন হৈছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত লোকৰ সহায়ৰ বাবে ১৮১টা আশ্ৰয় শিৱিৰ আৰু ৩৩৪টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল নিয়োগ কৰা হৈছে।

00000

বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানিক কালি নতুন দিল্লীৰ এপলো চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। চিকিৎসালয় কৰ্তৃপক্ষই জনোৱা মতে, নেতাগৰাকীৰ বৰ্তমান অৱস্থা সুস্থিৰ। চিকিৎসকসকলে আদবানীৰ স্বাস্থ্যৰ পৰ্যবেক্ষণ কৰি আছে। যোৱা সপ্তাহত জেষ্ঠ নেতাগৰাকীক বাৰ্ধক্যজনিত কাৰণত নতুন দিল্লীৰ অখিল ভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত ভৰ্তি কৰোৱা হৈছিল যদিও এদিনৰ পাছতে তেওঁক ঘৰলৈ যাবলৈ দিয়া হৈছিল।

00000

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ বিজয়ী ভাৰতীয় দলটো দিল্লীত উপস্থিত হৈছে। ভাৰতীয় দলটোক আদৰণী জনোৱাৰ বাবে ক্ৰিকেট অনুৰাগীসকলে দিল্লী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ভিৰ কৰা পৰিলক্ষিত হয়। ভাৰতীয় দলটো বেৰিল ঘূৰ্ণী বতাহৰ বাবে টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেল খেল অনুষ্ঠিত বাৰবাডোছত আৱদ্ধ হৈ আছিল। ভাৰতীয় দলটোৱে মুম্বাইলৈ ৰাওনা হোৱাৰ পূৰ্বে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰিব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব জয় শ্বাহে কৈছে যে, বিজয়ী দলটোৱে আজি বিয়লি মুম্বাইত বাছ ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে ৱাংখেড়ে ষ্টেডিয়ামত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে বিজয়ী দলটোক পুৰস্কাৰ ৰাশি প্ৰদান কৰিব।

00000

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটোৱে উম্বলডন অপেন টেনিছ প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে যোৱানিশা পুৰুষৰ ডাবলছ্ৰ এখন খেলত নেডাৰলেণ্ডছ্ৰ ছেণ্ডাৰ অৰেণ্ডছ আৰু ৰবীন হাছেৰ যুটীটোক পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ সুমিত নাগল আৰু চাৰ্বিয়াৰ দুছান লাজোভিছ্ৰ যুটীটোৱে পুৰুষৰ ডাবলছ্ত স্পেইনৰ পেড্ৰো মাৰ্টিনেজ আৰু মুনাৰৰ হাতত ৬-২, ৬-২ পোনপটীয়া ছেটত পৰাজিত হয়। সুমিত নাগল চাৰ্বিয়াৰ মিয়োমিৰ কেকমানʼভিচৰ হাতত ২-৬, ৬-৩, ৩-৬, ৪-৬ পৰাজিত হৈ ইতিমধ্যে পুৰুষৰ ছিংগলছ্ৰ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হৈছে।

ooooo

ভাৰতৰ প্ৰিয়াংশু ৰাজাৱটে কানাডা অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ্ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অষ্টম বাছনিপ্ৰাপ্ত ৰাজাৱটে কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত ডেনমাৰ্কৰ ৰাছমুছ গেমকেক ১৭-২১, ২১-১৬, ২১-১৪ গেমত পৰাস্ত কৰে।

ooooo

**সমাপ্ত**